## অসম জাতীয় বিদ্যালয়ত ‘মূল্য-ভিত্তিক শিক্ষা আৰু শিশু বিকাশ’ শীৰ্ষক আলোচনাচক্ৰ

**নুনমাটি, ২৩ জানুৱাৰি, ২০১৮ :** সমাজত মূল্যবোধ শিক্ষাৰ আৱশ্যকতাৰ প্ৰতি সজাগতা সৃষ্টিৰ উদ্দেশ্যে আজি নুনমাটিৰ অসম জাতীয় বিদ্যালয়ত অসম ডেভেলপমেণ্ট ইনিচিয়েটিভে (Assam Development Initiative, ADI) ‘মূল্য-ভিত্তিক শিক্ষা আৰু শিশু বিকাশ’ শীৰ্ষক এখন আলোচনাচক্ৰ অনুষ্ঠিত কৰে। পাঁচটা বিষয়ভিত্তিক আলোচনাৰ জৰিয়তে সম্পন্ন হোৱা এই আলোচনাচক্ৰত অসম জাতীয় বিদ্যালয়, মাৰিয়া পাব্লিক স্কুল, গুৰুকুল গ্ৰামাৰ স্কুল, মহৰ্ষি বিদ্যা মন্দিৰ পাব্লিক স্কুল (শিলপুখুৰী) আৰু নিউ গুৱাহাটী আদৰ্শ স্কুলৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকসকলে অংশগ্ৰহণ কৰে। মূল্যবোধ শিক্ষাৰ প্ৰকৃত অৰ্থ, বৰ্তমান সময়ত মূল্যবোধৰ অৱক্ষয়ৰ প্ৰসংগ, মূল্যবোধ শিক্ষা প্ৰদানৰ উপায়, মূল্যবোধ শিক্ষা দিয়াৰ দায়িত্ব ইত্যাদি বিষয়ত এই দলীয় আলোচনাসমূহ অনুষ্ঠিত হয়। সাম্প্ৰতিক সময়ত সৃষ্টি হোৱা মূল্যবোধজনিত সমস্যা তথা অন্যান্য ইতিবাচক দিশসমূহো আলোচনাচক্ৰখনত বিশদভাৱে আলোচনা কৰা হয়। আলোচনাচক্ৰৰ আৰম্ভণিতে উদ্দেশ্য ব্যাখ্যা কৰে এ ডি আইৰ সভাপতি বিশ্বদীপ বৰুৱাই। আলোচনাচক্ৰৰ নীতি তথা প্ৰণালী ঘোষণা কৰে সচিব হীৰেন শৰ্মাই। আলোচনাচক্ৰখনৰ আঁত ধৰে অসম জাতীয় বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী অপৰ্ণা দেৱীয়ে। আলোচনাচক্ৰখনৰ আয়োজনত এ ডি আইৰ উপৰি বিশেষ উদ্যোগ গ্ৰহণ কৰে অসম জাতীয় বিদ্যালয়ৰ ৰেক্টৰ ৰঞ্জিত নাৰায়ণ ডেকা, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি দিলীপ কুমাৰ দত্ত চৌধুৰী, সচিব ডাº নাৰায়ণ শৰ্মা আৰু বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে।

(ঘনশ্যাম মেধি)
অসম জাতীয় বিদ্যালয়
নুনমাটি, গুৱাহাটী-৭৮১০২০
ফ’ন : ৯৭০৬০২৫১৬৭

**A Discussion Forum on Value-based Education & Child Development held at Assam Jatiya Bidyalay, Noonmati**

**Noonmati, 23 January, 2018 :** To bring awareness of value-based education among the teachers, parents and the whole community, Assam Development Initiative (ADI) Trust organised a one day discussion forum on value-based education & child development and the whole programme was hosted by Assam Jatiya Bidyalay, Noonmati. This interactive seminar was held on five different panels where the teachers and the guardians from Assam Jatiya Bidyalay, Noonmati, Maria Public School, Gurukul Grammar Senior Secondary School, Maharshi Bidya Mandir Public School (Silpukhuri), New Guwahati Adarsh School participated. All the five panels had an open interactive discussion on the significance of value-based education, how to inculcate and impart them at the present scenario, the responsibility of the teachers particularly and of the community as a whole, the urgent need of inculcating them on the young learners etc. The objective of this seminar was explained by Biswadip Barooah, the president of ADI and the panel discussion process was initiated by Hiren Sarma, the secretary of ADI. This day long programme was attended by Rector Ranjit Narayan Deka, Dr. Narayan Sharma, the secretary of the management committee, Dilip Kumar Dutta Choudhury, the president of the management committee and Ghanashyam Medhi, the Principal and all the teaching and non-teaching staff of Assam Jatiya Bidyalay, Noonmati. Aparna Devi, ex Principal and also a senior teacher from the department Social Science conducted the whole programme.

Ghanashyam Medhi

(Ghanashyam Medhi)
Principal
Assam Jatiya Bidyalay
Noonmati, Guwahati